# পাঠ :৪

# প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক - ড° ভূপেন হাজৰিকা

---

১/ অতি চমু প্ৰশ্নৰ উত্তৰ:

(ক) 'প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক' শীৰ্ষক কবিতাটো কোনে ৰচনা কৰিছিল?

উত্তৰঃ উক্ত কবিতাটো ড° ভূপেন হাজৰিকাই ৰচনা কৰিছিল ।

(খ) 'প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক' শীৰ্ষক কবিতাটো কিমান চনত ৰচনা কৰা হৈছিল?

উত্তৰঃ প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক' শীৰ্ষক কবিতাটো ১৯৬৩ চনত ৰচনা কৰা হৈছিল ।

(গ) ড° ভূপেন হাজৰিকাই সম্পাদনা কৰা যিকোনো দুখন আলোচনীৰ নাম লিখা ।

উত্তৰঃ ড° ভূপেন হাজৰিকাই সম্পাদনা কৰা যিকোনো দুখন আলোচনীৰ নাম হ'ল- 'আমাৰ প্ৰতিনিধি', আৰু ' গতি' ।

(ঘ) ড° ভূপেন হাজৰিকাই পৰিচালনা কৰা যিকোনো দুখন অসমীয়া চলচ্চিত্ৰৰ নাম লিখা ।

উত্তৰঃ ড° ভূপেন হাজৰিকাই পৰিচালনা কৰা যিকোনো দুখন অসমীয়া চলচ্চিত্ৰৰ হ'ল- 'এৰাবাটৰ সুৰ', আৰু 'প্ৰতিধ্বনি' ।

(ঙ) ভাৰতীয় চলচ্চিত্ৰ জগতৰ সৰ্বোচ্চ সন্মান তথা বঁটাটোৰ নাম কি ?

উত্তৰঃ ভাৰতীয় চলচ্চিত্ৰ জগতৰ সৰ্বোচ্চ সন্মান তথা বঁটাটোৰ নাম হ'ল- দাদা চাহেব ফাল্কে বঁটা ।

(চ) "জনৈক গীতিকাৰে অকণি
আকাশ দেখোঁ মাগে ।"
-ইয়াত কোনজন গীতিকাৰৰ কোনটো গীতলৈ ইঙ্গিত কৰা হৈছে?

উত্তৰঃ নৱকান্ত বৰুৱা ৰচিত আৰু ড° বীৰেন্দ্ৰনাথ দত্তই কন্ঠ দান কৰা 'আকাশ আমাক অকনি আকাশ দিয়া' শীৰ্ষক গীতটোলৈ ইয়াত ইঙ্গিত কৰা হৈছে ।

২/ তাৎপৰ্য ব্যাখ্যা কৰা :

(ক) বজ্ৰৰ গৰ্জনে বক্ষ উজাৰি ক'লে,
তোমাৰ কাম্য কি কুঁৱা?
মই ক'লো, 'বজ্ৰ তোমাৰ
শক্তিশালী উদাত্ত কণ্ঠটি দিয়া' ।

উত্তৰঃ জীৱন আৰু সমাজৰ পৰা অশুভ শক্তিবোৰক আঁতৰাই তাৰ ঠাইত মনুষ্যত্বক প্ৰতিষ্ঠা কৰিবলৈ কবিয়ে পণ কৰিছে। তাৰ বাবে কবিয়ে তেওঁৰ গীতিকে অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব বিচাৰিছে। কিন্তু জীৱন তথা সমাজ ৰূপান্তৰৰ উপযুক্তও মাধ্যম হ'বলৈ হ'লে তেওঁৰ গীত বলিষ্ঠ কণ্ঠ আৰু সাহসী যুক্তিৰে সমৃদ্ধ হ'ব লাগিব। কবিৰ দৃষ্টিত এই দুই গুণৰ আকাৰ হ'ল বজ্ৰ। বজ্ৰৰ গুৰু- গম্ভীৰ কণ্ঠত সমগ্ৰ পৃথিৱী থৰথৰকৈ কঁপি উঠে। সেয়ে কবিয়ে বজ্ৰক আহবান জনাইছে যাতে তেওঁক উদাত্ত কণ্ঠৰ অধিকাৰী কৰে। কবিতাফাকিৰ তাৎপৰ্য এয়ে যে এজন সমাজ দায়বদ্ধ সামৰ্থ গীতিকাৰে সমাজৰ অন্যায়- অবিচাৰবোৰ নিৰ্ভীকভাৱে উদঙাই দিব পাৰিব লাগিব।

(খ) সেয়েহে আকাশ তুমি
দিব যদি খুজিছাই
সংকীৰ্ণতা এৰি দিয়া
অৱদানৰূপে তোমাৰ পূৰ্ণ বিশালতা
দিয়া যদি আজিয়েই দিয়া।'

উত্তৰঃ কবি সমাজৰ প্ৰতি দায়বদ্ধ। গীতৰ মাধ্যমেৰে বৈষম্যধৰ্মী সমাজ ব্যৱস্থা ভাঙি তাৰ ঠাইত মানৱীয় সাম্য আৰু ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত এখন সমাজ তেওঁ গঢ়িব বিচাৰে। কবিয়ে অনুভৱ কৰে যে তেওঁৰ গীতত বিশালতা তথা উদাৰতা ফুটি উঠিলেহে সেই গীতে বাঞ্ছিত উদেশ্য সাধন কৰিব পাৰি। সীমাহীন নীলিম আকাশখন কৰিবৰ মনত উদাৰতাৰ প্ৰতীক। এই আকাশেই কবিক শিকাইছে যে মানুহে নিজকে যিমানেই আনৰ মঙ্গলৰ বাবে বিলাই দিয়ে, সিমানেই মানুহ মহান হয়। সেয়ে কবিয়ে আকাশক অনুৰোধ জনাইছে যাতে আকাশে তেওঁক অকৃপনভাৱে উদাৰতা দান কৰে।

(গ) মহাকাশে দিলে মোক বিশাল দৃষ্টি
আৰু ধুমুহাই প্ৰচণ্ড শক্তি
বজ্ৰই দিলে মোক উদাৰ কণ্ঠ
আৰু দিলে সাহসৰ যুক্তি।

উত্তৰঃ কবিয়ে তেওঁৰ মাধ্যমেৰে সমাজৰ ৰূপান্তৰ সাধন কৰিব বিচাৰে। প্ৰচলিত শোষনধৰ্মী সমাজ ব্যৱস্থাৰ পৰিৱৰ্তে মানৱীয় সাম্য আৰু ন্যায়ভিত্তিক এখন সমাজ প্ৰতিষ্ঠা কৰাটো কবিৰ জীৱনৰ ব্ৰত। কবিয়ে গীতকেই সমাজ পৰিৱৰ্তনৰ প্ৰধান অস্ত্ৰ হিচাপে গ্ৰহণ কৰিছে। কবিৰ বিশ্বাস যে তেওঁৰ গীত প্ৰচণ্ড শক্তি, বলিষ্ঠ কণ্ঠ, সাণিত যুক্তি আৰু উদাৰ দৃষ্টিভংগীৰে সমৃদ্ধ হ'লেহে সেই গীত ফলপ্ৰসু হ'ব। সেয়ে কবিক এই ইতিবাচক গুণবোৰৰ অধিকাৰী কৰিবলৈ তেওঁ ধুমুহা, বজ্ৰ আৰু আকাশৰ প্ৰতি আহবান জনাইছে। অবশেষত কবিৰ বিশ্বাস জন্মিছে যে উক্ত প্ৰাকৃতিক শক্তিবোৰে তেওঁক তেওঁ বিচৰা গুণবোৰ প্ৰদান কৰিছে। গতিকে তেওঁ গীতৰ মাধ্যমেৰে সমাজত আলোড়ন সৃষ্টি কৰিবলৈ সক্ষম হ'ব বুলি আশ্বস্ত হৈছে।

(ঘ) হুমূৰ্থ মানৱক
জীৱনৰ বিদ্যুত
কিঞ্চিটো যদি দিব পাৰোঁ
আকাশ ধুমুহা আৰু বজ্ৰক
তাৰ বাবে শতবাৰ প্ৰণিপাত কৰোঁ।

উত্তৰঃ কবিয়ে শোষিত-নিষ্পেশীতষিত জনগণৰ মুক্তি কামনা কৰে। হুমূৰ্খ জনতাৰ জীৱন আশা-প্ৰেৰণাৰ বিদ্যুতেৰে কিঞ্চিৎ পৰিমানে হ'লেও আলোকিত কৰিব পাৰিলে তেওঁ নিজকে ধন্য মানিব। কিন্তু সমাজৰ বৈপ্লৱিক ৰূপান্তৰ অবিহনে জনগণৰ মুক্তি সম্ভৱ নহয়। কবিয়ে তেওঁৰ গীতিকে সমাজ পৰিৱৰ্তনৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিব বিচাৰে। কবিয়ে জানে যে তেওঁৰ গীতৰ প্ৰচণ্ড শক্তি,উদাত্ত কণ্ঠ,শানিত যুক্তি আৰু উদাৰতাৰে সমৃদ্ধ হ'লেহে সি সমাজ ৰূপান্তৰৰ উপযুক্ত মাধ্যম হ'ব পাৰিব। সেইবাবে তেওঁ ধুমুহা,বজ্ৰ আৰু আকাশৰ প্ৰতি উক্ত গুণবোৰ বিচাৰি প্ৰাৰ্থনা জনাইছে। কবিয়ে কৈছে যে তেওঁ যদি তেওঁৰ মহান উদ্দেশ্য সাধনত সামান্যভাৱে হ'লেও সফল হ'ব পাৰে, তাৰ বাবে তেওঁ উক্ত প্ৰাকৃতিক শক্তিবোৰৰ ওচৰত কৃতজ্ঞ হৈ থাকিব।

৩/ অতি চমু প্ৰশ্নোত্তৰ:

(ক) কবিয়ে কাক সংকীৰ্ণতা এৰি দি পূৰ্ণ বিশালতা দিবলৈ আহবান জনাইছে?

উত্তৰঃ কবিয়ে আকাশক  সংকীৰ্ণতা এৰি দি পূৰ্ণ বিশালতা দিবলৈ আহবান জনাইছে ।

(খ) কবিৰ প্ৰাপ্য কি তাক সুধি কোনে প্ৰশ্ন কৰিলে ?

উত্তৰঃ কবিৰ প্ৰাপ্য কি তাক সুধি প্ৰচণ্ড ধুমুহাই  প্ৰশ্ন কৰিলে ।

(গ) কবিক বিশাল দৃষ্টি কোনে দিলে?

উত্তৰঃ কবিক বিশাল দৃষ্টি  মহাকাশে দিলে ।

(ঘ) "হুমূৰ্খ মানৱক জীৱনৰ বিদ্যুৎ কিঞ্চিতো দিব পৰোঁ"- ইয়াত 'বিদ্যুৎ' শব্দই কি বুজাইছে?

উত্তৰঃ হুমূৰ্খ মানৱক জীৱনৰ বিদ্যুৎ কিঞ্চিতো দিব পৰোঁ"- ইয়াত 'বিদ্যুৎ' শব্দই জীয়াই থাকিবলৈ প্ৰয়োজনীয় আশা, উদ্দীপনা,প্ৰেৰণা আদিক বুজাইছে ।

(ঙ) প্ৰচণ্ড ধুমুহাই কবিক কি প্ৰশ্ন কৰিছিল?

উত্তৰঃ প্ৰচণ্ড ধুমুহাই কবিক "তোমাৰ প্ৰাপ্য কি কোৱা" বুলি প্ৰশ্ন কৰিছিল ।

৪/ চমু প্ৰশ্নৱলী:

(ক) বজ্ৰই কবিক কি কি দিলে?

উত্তৰঃ কবিয়ে বজ্ৰৰ পৰা শক্তিশালী উদাত্ত কণ্ঠ প্ৰাৰ্থনা কৰিছিল । সেই মতে বজ্ৰই কবিক উদাত্ত কণ্ঠ আৰু সাহসৰ যুক্তি প্ৰদান কৰিছিল ।

(খ) কবিয়ে "সঁচা উদাৰতাৰ" -কথাষাৰেৰে কি বুজাব খুজিছে?

উত্তৰঃ কোনো মানুহে নিজকে যিমানে আনৰ মঙ্গলৰ বাবে বিলাই দিয়ে, সিমানেই তেওঁ মহান হয় । সেয়ে মানুহে সংকীৰ্ণ ব্যক্তি স্বাৰ্থ পৰিহাৰ কৰি সমূহৰ মঙ্গলৰ বাবে নিজৰ কথা, চিন্তা আৰু কৰ্ম নিয়োজিত কৰিব লাগে । এয়াই সঁচা উদাৰতা ।

(গ) কবিয়ে কলিজাৰ সঁচা সুৰেৰে সিক্ত কৰি কাৰ সমাজত কি গীত গাবলৈ সাজু হৈছে ?

উত্তৰঃ কবিয়ে কলিজাৰ সঁচা সুৰেৰে সিক্ত কৰি দানৱতাৰ  সমাজত   মানৱৰ গীত গাবলৈ সাজু হৈছে । অৰ্থাৎ শোষণ, নিৰ্যাতন,যুদ্ধ,হিংসা,জাত-পাতৰ দৰে দানৱীয় প্ৰৱণতাবোৰৰ বিৰুদ্ধে কবিয়ে সাম্য, মৈত্ৰী, ভাতৃত্ব, শান্তি আদি মানৱীয় প্ৰমূল্যবোৰ গীতৰ জৰিয়তে প্ৰচাৰ কৰিব বিচাৰিছে ।

(ঘ) আকাশ,ধুমুহা আৰু বজ্ৰক কবিয়ে কি কাৰণে প্ৰণিপাত কৰিছে?

উত্তৰঃ কবিয়ে মানুহৰ জীৱন আৰু সমাজৰ পৰা দানৱিয়তাক দূৰ কৰি তাৰ ঠাইত মানৱীয়তাক প্ৰতিষ্ঠা কৰিবলৈ আৰু মৃতপ্ৰায় মানুহক আশা- প্ৰেৰণাৰে উজ্জীৱিত কৰিবলৈ সংকল্প গ্ৰহণ কৰিছে । এই মহান কাৰ্য্যত সফল হ'বলৈ কবিক আশাৰে বিশাল দৃষ্টি,ধুমুহাই প্ৰচণ্ড শক্তি আৰু বজ্ৰই উদাত্ত কণ্ঠ তথা সাহসৰ যুক্তি প্ৰদান কৰিছে । সেয়েহে কবিয়ে এই তিনিটা প্ৰাকৃতিক পৰিঘটনাৰ প্ৰতি কৃতজ্ঞতাৰ চিনস্বৰূপে প্ৰণিপাত জনাইছে ।

৫/ সমাৰ্থক শব্দ লিখা:

উত্তৰঃ

ধুমুহা - বাগ্বা,বৰদৈচিলা, চক্ৰবাট
বুকু - বক্ষ,বক্ষ:স্থল
কাম্য - বাঞ্চিত,আকাংক্ষিত,প্ৰত্যাশিত
সংকীৰ্ণতা - ক্ষুদ্ৰতা,অনুদাৰতা

বিশাল - বহল,প্ৰশস্ত,বৃহৎ
দানৱ - অসুৰ,দৈত্য
প্ৰণিপাত - প্ৰণাম,সেৱা
সিক্ত - তিতা,ভিজা

৬/ তলত দিয়া শব্দকেইটা কি কাৰণে 'ণ' হৈছে লিখা ।

কণ্ঠ,পূৰ্ণ, প্ৰচণ্ড, সংকীৰ্ণতা, প্ৰণিপাত

উত্তৰঃ কণ্ঠ : ট-বৰ্গৰ আখৰৰ সৈতে যুক্ত হ'লে 'ন' সদায় 'ণ' হয় ।

পূৰ্ণ : ঋ,ৰ, ষ-ৰ পাছত থকা 'ন' সাধাৰণতে 'ণ' হয় ।

প্ৰচণ্ড : ট-বৰ্গৰ আখৰৰ সৈতে যুক্ত 'ন' সদায় 'ণ' হ

প্ৰণিপাত : প্ৰ, পৰি আদি উপসৰ্গৰ পিছত থকা নি-ৰ 'ন' 'ণ' হয় ।

৭/ তলত দিয়া শব্দকেইটাত কি কাৰণে 'ষ' হৈছে লিখা ।

উত্তৰঃ হমূৰ্খ : অ আ ভিন্ন অন্য স্বৰবৰ্ণ বা ক বা ৰ-ৰ পাছত থকা প্ৰত্যয়ৰ 'স' 'ষ' হয় ।

দৃষ্টি : ট-বৰ্গৰ বৰ্ণৰ লগত যুক্ত 'স' সদায় 'ষ' হয় ।

৮/ সন্ধি ভঙা :

দিগন্ত,সৰ্বাকাশ,সংকীৰ্ণ

উত্তৰঃ দিগন্ত : দিক + অন্ত
সৰ্বাকাশ : সৰ্ব + আকাশ
সংকীৰ্ণ : সম্ + কীৰ্ণ